# পাঠ-১১
# যাতায়াত

অতীজৰে পৰা মানুহে বিভিন্ন কাৰণত এঠাইৰ পৰা আন এঠাইলৈ অহা যোৱা কৰি আহিছে। চকাৰ আৱিষ্কাৰ হোৱাৰ আগতে মানুহে খোজকাঢ়িয়েই এখন ঠাইৰ পৰা আন এখন ঠাইলৈ অহা-যোৱা কৰিছিল। দূৰ দূৰণিলৈ যাত্ৰা কৰিবৰ বাবে আৰু বয়-বস্তু কঢ়িয়াবৰ বাবে পৰিৱেশ অনুযায়ী বিভিন্ন প্ৰাণী ব্যৱহাৰ কৰিছিল। উদাহৰণস্বৰূপে — মৰুভূমিত উট, দুৰ্গম পাহাৰীয়া ঠাইত ঘোঁৰা, গাধ, হাতী ইত্যাদি। চকাৰ আৱিষ্কাৰৰ লগে লগে মানুহে প্ৰাণীয়ে টনা গাড়ী যাতায়াতৰ বাবে ব্যৱহাৰ কৰিবলৈ ল'লে। মেৰু অঞ্চলৰ বৰফ পিছল হোৱা বাবে চকা থকা গাড়ী চলাবলৈ অসুবিধা। সেয়েহে এই অঞ্চলত বল্গা হৰিণে চোঁচৰাই নিয়া শ্লেজ গাড়ী ব্যৱহাৰ কৰা হয়।




এনেধৰণেৰে এখন ঠাইৰ পৰা আন এখন ঠাইলৈ অহা যোৱা কৰা কাৰ্যই হৈছে **যাতায়াত**।

বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ লগে লগে আমি দ্ৰুত আৰু উন্নত মানৰ যাতায়াত ব্যৱস্থাৰ সুবিধা লাভ কৰিবলৈ সক্ষম হৈছোঁ। বিভিন্ন দেশৰ মাজত শান্তি-সম্প্ৰীতি অটুত ৰাখিবলৈ আৰু শিক্ষা, কৃষি, শিল্প-বাণিজ্য, চিকিৎসা ব্যৱস্থা, খেলা-ধূলা আদিৰ আদান-প্ৰদান কৰিবলৈ উন্নত যাতায়াত ব্যৱস্থাৰ প্ৰয়োজন। এখন দেশৰ অৰ্থনৈতিক বিকাশ উন্নত যাতায়াত ব্যৱস্থাৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰ কৰে।

বিভিন্ন ৰাজ্য আৰু দেশৰ মাজত যাতায়াতৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথ, ৰে'লপথ, জলপথ আৰু আকাশীপথ ব্যৱহাৰ কৰা হয়। এই পথবোৰত বিভিন্ন ধৰণৰ যান-বাহন চলোৱা হয়। এই যান-বাহনবোৰে মানুহ আৰু বিভিন্ন বয়-বস্তু কঢ়িয়ায়। যান-বাহনৰ সহায়ত মানুহ আৰু বয়-বস্তু আদি কঢ়িয়াই নিয়া ব্যৱস্থাই হৈছে **পৰিবহণ ব্যৱস্থা**। পৰিবহণ ব্যৱস্থাৰ অবিহনে যাতায়াত সম্ভৱ নহয়।

**পৰিবহণ ব্যৱস্থাত আমি বিভিন্ন ধৰণৰ যান-বাহন ব্যৱহাৰ কৰোঁ —**



আলিবাটত চলা যান-বাহন



ৰে'লপথত চলা যান-বাহন






আকাশীপথত চলা যান-বাহন



জলপথত চলা যান-বাহন



**আমাৰ দেশৰ বিভিন্ন পৰিবহণ ব্যৱস্থাৰ বুজ লওঁ আহা —**



**ৰে'ল পৰিবহণ** — ৰে'ল পৰিবহণ ভাৰতবৰ্ষৰ সবাতোকৈ গুৰুত্বপূৰ্ণ পৰিবহণ ব্যৱস্থা। ১৮৫৩ চনৰ ১৬ এপ্ৰিলত মুম্বাই আৰু থানেৰ মাজত প্ৰায় ২১ মাইল দীঘল ভাৰতবৰ্ষৰ প্ৰথম ৰে'লপথ চৰকাৰীভাৱে মুকলি কৰা হয়। ভাৰতবৰ্ষত **ব্ৰডগজ** আৰু **মিটাৰ গজ** এই দুই প্ৰকাৰৰ ৰে'লপথৰ ব্যৱস্থা আছে যদিও পাহাৰীয়া অঞ্চলত **ঠেক গজ** ৰে'লপথো আছে। উত্তৰ পূৰ্বাঞ্চলৰ মেঘালয় আৰু ছিকিমত এতিয়াও ৰে'লপথৰ ব্যৱস্থা হোৱা নাই।

অসমত ১৮৮২-১৮৮৪ চনৰ ভিতৰত ডিব্ৰু-শদিয়া ৰে'লপথ নিৰ্মাণ কৰা হৈছিল। এইটো আছিল অসমৰ প্ৰথম ৰে'লপথ। এই ৰে'লপথে ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ চাহ, খাৰুৱা তেল আৰু বাঁহ উৎপাদন কৰা অঞ্চলবোৰ সংযোগ কৰিছিল। ক্ৰমান্বয়ে ৰে'লপথৰ সম্প্ৰসাৰণ কৰি বৰ্তমান অসমৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰত্যেকখন জিলাৰ মাজেৰে ৰে'লপথৰ ব্যৱস্থা কৰা হৈছে। অসমৰ পৰা ভাৰতৰ আন আন ৰাজ্যলৈ যাবলৈও ৰে'ল পৰিবহণৰ সুব্যৱস্থা আছে।

ৰে'লপথ সমূহেৰে দৈনিক বয়-বস্তু এঠাইৰ পৰা আনঠাইলৈ কঢ়িওৱা সহজ হৈ পৰিছে। মানুহে কম সময়ৰ ভিতৰতে আৰু কম খৰছতে বহু দূৰ-দূৰণিলৈ অহা-যোৱা কৰাত সুবিধা হৈছে। আৰম্ভণিতে ৰে'লবিলাক ভাপ-ইঞ্জিনেৰে চলোৱা হৈছিল। বৰ্তমান ডিজেল আৰু ইলেক্‌ট্ৰিক ইঞ্জিনৰ সহায়ত চলোৱাৰ ফলত অতি বেগেৰে ৰে'ল চলাচল সম্ভৱ হৈছে।



**পথ পৰিবহণ** — ৰে'ল পৰিবহণৰ পিছতেই দ্বিতীয় গুৰুত্বপূৰ্ণ পৰিবহণ ব্যৱস্থা হ'ল পথ পৰিবহণ। পথ পৰিবহণ ব্যৱস্থাৰ ফলত গাঁও বিলাকৰ সৈতে নগৰ আৰু ব্যৱসায়িক কেন্দ্ৰসমূহৰ মাজত সম্পৰ্ক স্থাপন হোৱাত সহজ হৈছে। দুৰ্গম পাহাৰীয়া অঞ্চল, সীমান্ত অঞ্চল আৰু দেশৰ আন আন ৰাজ্যৰ লগতো পথ পৰিবহণ ব্যৱস্থা আছে।

ভাৰতবৰ্ষৰ পথ পৰিবহণ ব্যৱস্থাই সামৰি লোৱা পথবোৰ হ'ল—ৰাষ্ট্ৰীয় ঘাইপথ, সীমান্ত অঞ্চলৰ পথ, ৰাজ্যিক আৰু আন্তঃ ৰাজ্যিক পথ, গাঁও অঞ্চলৰ পথ আৰু পৌৰ নিগমৰ পথ। ৰাষ্ট্ৰীয় ঘাইপথ, সীমান্ত অঞ্চলৰ পথ, ৰাজ্যিক আৰু আন্তঃ ৰাজ্যিক পথৰ বাবে কেন্দ্ৰীয় চৰকাৰে অৰ্থৰ যোগান ধৰে। আনহাতে গাঁও অঞ্চলৰ পথ আৰু পৌৰ

নিগমৰ পথৰ বাবে ৰাজ্য চৰকাৰে অৰ্থৰ যোগান ধৰে। ৰাজ্যৰ ৰাজধানীৰ সৈতে, জিলাৰ মুখ্য সদৰ আৰু আন আন উল্লেখযোগ্য নগৰ-চহৰবোৰক ৰাজ্যিক ঘাইপথে সংলগ্ন কৰিছে। এই পথবোৰ ৰাষ্ট্ৰীয় ঘাইপথৰ লগতে সংলগ্ন। পথ পৰিবহণ ব্যৱস্থাই দৈনিক মানুহ আৰু মাল-বস্তু কঢ়িয়াই আমাৰ যোগাযোগ ব্যৱস্থা সুচল কৰি তুলিছে।



**উত্তৰ ভাৰতৰ মানালি-লেহ ৰাষ্ট্ৰীয় পথ পৃথিৱীৰ ভিতৰতে সৰ্বোচ্চ পথ পৰিবহণ ব্যৱস্থা। এই পথে লেহ-লাডাখৰ দৰে অতি দুৰ্গম ঠাইক দেশৰ আন আন ঠাইৰ লগত সংযোগ স্থাপন কৰিছে।**

বৰ্তমান অসমত প্ৰায় ৪২,৬৪১ কিঃমিঃ পথ নিৰ্মাণ কৰা হৈছে। এই পথসমূহক তিনি ভাগত ভাগ কৰিব পাৰি। ৰাষ্ট্ৰীয় ঘাই পথ, জিলা গড়কাপ্তানি পথ, জিলা আৰু পঞ্চায়ত পথ। ৰাষ্ট্ৰীয় ঘাইপথসমূহে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ জিলাৰ সদৰ ঠাইসমূহক সংযোগ কৰিছে। উত্তৰ-পূৰ্বাঞ্চল আৰু দেশৰ আন আন ৰাজ্যৰ লগতো ৰাষ্ট্ৰীয় ঘাইপথৰ সংযোগ আছে।

**জল পৰিবহণ** — ভাৰতবৰ্ষৰ জল পথ দুটা ভাগত ভগাব পাৰি। আন্তঃ দেশীয় আৰু উপকূলীয় বা মধ্য সাগৰীয় জল পৰিবহণ। ভাৰতবৰ্ষত বৰ্তমানলৈ কেইখনমান নদীতহে আন্তঃদেশীয় জল পৰিবহণ ব্যৱস্থা আছে। উত্তৰ ভাৰতৰ নদী সমূহত বাৰমাহেই পানী উপচি থাকে বাবে গোটেই বছৰ জুৰি জলপৰিবহণ ব্যৱস্থা সুচল হৈ থাকে। জল পৰিবহণ ব্যৱস্থা অতি কম খৰচী।

**ভাৰতবৰ্ষৰ তিনিটা ৰাষ্ট্ৰীয় জলপথ হ'ল—**

**ৰাষ্ট্ৰীয় জলপথ ১.** গঙ্গা-ভাগীৰথী-হুগলী নদীৰ জল পৰিবহণ ব্যৱস্থা
**ৰাষ্ট্ৰীয় জলপথ ২.** ব্ৰহ্মপুত্ৰৰ শদিয়া-ধুবুৰী জল পৰিবহণ ব্যৱস্থা
**ৰাষ্ট্ৰীয় জলপথ ৩.** পশ্চিম উপকূলীয় খাল জল পৰিবহণ ব্যৱস্থা

ভাৰতত ১২ টা প্ৰধান জাহাজ বন্দৰ আছে। ইয়াৰ ভিতৰত চাৰিটা বন্দৰ হ'ল মুম্বাই, চেন্নাই, বিশাখাপট্টনম্ আৰু ক'লকাতা।



অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈ ৮৯১ কিঃমিঃ দীঘল জলপথক ৰাষ্ট্ৰীয় জলপথ বুলি ঘোষণা কৰা হৈছে। বৰ্তমান ব্ৰহ্মপুত্ৰ নদীৰ পাৰত থকা জাহাজঘাটসমূহ হ'ল— ডিব্ৰুগড়, দিচাংমুখ, নিমাতীঘাট, বিশ্বনাথ চাৰিআলি, শিলঘাট, গুৱাহাটী, গোৱালপাৰা আৰু ধুবুৰী। নদীপথসমূহত যাত্ৰী, মালবাহী জাহাজ আৰু মটৰ নাওসমূহ চলাৰ বাবেও আমাৰ যোগাযোগ ব্যৱস্থা সুচল হৈ পৰিছে। বৰ্তমান দেশী-বিদেশী পৰ্যটকৰ বাবে খোৱা-লোৱাৰ সুবিধা থকা কিছুমান বিলাসী জাহাজ ব্ৰহ্মপুত্ৰত চলিবলৈ আৰম্ভ কৰিছে।



**আকাশী পথ পৰিবহণ** — ভাৰতবৰ্ষত বিমানসেৱা চৰকাৰী আৰু বেচৰকাৰী খণ্ডৰ অন্তৰ্গত। এয়াৰ ইণ্ডিয়া, ইণ্ডিয়ান এয়াৰলাইনচ আদি বিমানসেৱা চৰকাৰী খণ্ডৰ অন্তৰ্গত। জেট এয়াৰৱেজ, এয়াৰ ডেক্কান, ইণ্ডিগ', স্পাইচ জেট, কিংফিচ্চাৰ আদি বেচৰকাৰী খণ্ডৰ অন্তৰ্গত। এই বিমান সেৱাই দেশৰ বিভিন্ন স্থানৰ লগত সংযোগ ৰাখিছে। কিছুমান বিমান সেৱাৰ জৰিয়তে বিদেশলৈও যাত্ৰা কৰিব পাৰি।





**কেৰালাৰ ক'চিনত নতুনকৈ ব্যক্তিগত খণ্ডত আন্তৰ্জাতিক বিমান বন্দৰ গঢ়ি উঠিছে। এইটোৱেই ভাৰতবৰ্ষত প্ৰথম ব্যক্তিগত খণ্ডৰ আন্তৰ্জাতিক বিমান বন্দৰ।**

১৯৮১ চনৰ জানুৱাৰী মাহৰ পৰা গুৱাহাটী আৰু দিল্লীৰ মাজত বিমান চলাচল আৰম্ভ হোৱাৰ ফলত যোগাযোগৰ ক্ষেত্ৰত অসমৰ বাইজৰ বহুদিনীয়া অভাৱ পূৰণ হৈছে। তদুপৰি ১৯৮১ চনৰ পৰা বায়ুদূত নামৰ নতুন বিমান সেৱা প্ৰৱৰ্তন কৰাৰ ফলত অসম আৰু উত্তৰ-পূব অঞ্চলৰ ৰাজ্যবোৰৰ মাজত যোগাযোগ ব্যৱস্থা সহজসাধ্য হৈছে। বায়ুদূত বিমান সেৱাই সংযোগ কৰা ৰাজ্যবোৰ হ'ল — গুৱাহাটী-বৰাপানী (মেঘালয়), গুৱাহাটী-কমলপুৰ (ত্ৰিপুৰা), ডিব্ৰুগড়ৰ চাবুৱা-তেজু (অৰুণাচল)। ইতিমধ্যে বৰঝাৰ বিমান বন্দৰক আন্তৰ্জাতিক বিমান বন্দৰলৈ উন্নীত কৰা হৈছে।



এই চাৰি প্ৰকাৰৰ পৰিবহণ ব্যৱস্থাৰ উপৰি **ৰচী-পৰিবহণ** ব্যৱস্থাও ভাৰতবৰ্ষত আছে। এই ৰচী পৰিবহণ ব্যৱস্থা কম খৰচী। পাহাৰীয়া দুৰ্গম অঞ্চলত খনিৰ পৰা চূণশিল, কয়লা আদি খনিজ পদাৰ্থ কঢ়িয়াবলৈ এই ব্যৱস্থাৰ সহায় লোৱা হয়। অসমৰ কাৰ্বি আংলঙৰ ডিলাই পাহাৰ আৰু বোকাজানৰ বিলাতী মাটি উদ্যোগৰ মাজত চূণশিল কঢ়িয়াবলৈ প্ৰায় ৩৫ কিঃমিঃ দূৰত্বৰ একমাত্ৰ ৰচী পৰিবহণ ব্যৱস্থা আছে।

এই পৰিবহণ ব্যৱস্থাসমূহৰ বাবে আমি পৃথিৱীৰ যিকোনো ঠাইলৈ সহজে আৰু সোনকালে অহা-যোৱা কৰাৰ সুবিধা হৈছে। পৰিবহণ ব্যৱস্থাসমূহৰ ভিতৰত উৰাজাহাজেৰে অতি কম সময়তে এখন দেশৰ পৰা আন এখন দেশলৈ যাত্ৰা কৰিব পাৰি। এই যাত্ৰা আৰামদায়ক কিন্তু ব্যয়বহুল। ভাৰতবৰ্ষত সৰ্বসাধাৰণ লোকে যাতায়াতৰ বাবে পথ পৰিবহণ আৰু ৰে'ল পৰিবহণেই বেছিকৈ ব্যৱহাৰ কৰা দেখা যায়। উন্নত পৰিবহণ ব্যৱস্থাই দেশ এখনৰ অৰ্থনৈতিক উন্নতিত যথেষ্ট বৰঙণি যোগায়।

## অনুশীলনী

১। উত্তৰ লিখা—

(ক) যাতায়াত বুলিলে কি বুজা?
(খ) চকাৰ আৱিষ্কাৰ হোৱাৰ আগতে মানুহে বয়-বস্তু কেনেকৈ কঢ়িয়াইছিল?
(গ) উন্নত যাতায়াত ব্যৱস্থাৰ কিয় প্ৰয়োজন?
(ঘ) পৰিবহণ ব্যৱস্থা বুলিলে কি বুজা?
(ঙ) ভাৰতবৰ্ষত কি কি পৰিবহণ ব্যৱস্থা আছে?

২। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা —

| 'ক' | 'খ' |
|---|---|
| ৰে'লপথত চলা বাহন | উৰাজাহজ, হেলিকপ্টাৰ |
| আলিবাটত চলা বাহন | নাওঁ, ছাবমেৰিন |
| আকাশত চলা বাহন | ৰে'লগাড়ী, ট্ৰাম বাছ |
| পানীত চলা বাহন | ৰিক্সা, চাইকেল, ট্ৰাক |

৩। খালী ঠাই পূৰ কৰা—

(ক) অসমৰ প্ৰথম ৰে'লপথটো আছিল ________ ৰে'লপথ।
(খ) ভাৰতবৰ্ষত ________ চনত প্ৰথম ৰে'লপথ চৰকাৰীভাৱে মুকলি কৰা হয়।
(গ) অসমত বৰ্তমান প্ৰায় ________ কিঃমিঃ পথ নিৰ্মাণ কৰা হৈছে।
(ঘ) ব্ৰহ্মপুত্ৰ নদীৰ পাৰত অৱস্থিত দুটা জাহাজঘাট হ'ল ________ আৰু ________।
(ঙ) গুৱাহাটী আৰু দিল্লীৰ মাজত ________ চনৰ পৰা বিমান চলাচল আৰম্ভ হয়।

৪। চমু টোকা লিখা —

(ক) জল পৰিবহণ (খ) ৰে'ল পৰিবহণ (গ) ৰচী পৰিবহণ (ঘ) আকাশী পথ পৰিবহণ

৫। তলৰ অশুদ্ধ বাক্য কেইটা শুদ্ধ কৰি লিখা—

(ক) বৰ্তমানলৈকে মেঘালয় আৰু ছিকিমত ৰে'লপথৰ ব্যৱস্থা হোৱা নাই।
(খ) অসমৰ পথসমূহক ৰাষ্ট্ৰীয় ঘাইপথ, জিলা গড়াকাপ্তানি পথ, জিলা আৰু পঞ্চায়ত পথত ভাগ কৰিব পাৰি।
(গ) জল পৰিবহণ ব্যৱস্থা বৰ ব্যয়বহুল।
(ঘ) অসমৰ বিমান বন্দৰৰ পৰা বিদেশলৈ যাবলৈ বিমান সেৱাৰ ব্যৱস্থা আছে।
(ঙ) ভাৰতত ৰচী পৰিবহণ ব্যৱস্থা আছে।

♣♣♣♣♣